**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-07-2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***

১। অবৈধ দখলকাৰীৰ বিৰুদ্ধে অসম চৰকাৰৰ উচ্ছেদ অভিযানক লৈ পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ মন্তব্যৰ প্ৰতি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ তীব্ৰ প্ৰতিক্ৰিয়া।
২। কেন্দ্ৰীয় চৰকাৰৰ শৰাইঘাটত ব্ৰহ্মপুত্ৰৰ ওপৰত দ্বিতীয়খন ৰে'ল তথা পথ দলং নিৰ্মাণত অনুমোদন।
৩। ৰাজ্য চৰকাৰৰ উমৰাংছ', হোজাই আৰু ৰঙিয়াৰ ৩ টা গুৰুত্বপূৰ্ণ চিমেণ্ট গোটত বিনিয়োগৰ বাবে অম্বুজা চিমেণ্টছৰ সৈতে বুজাবুজিৰ চুক্তি।
৪। শিলচৰৰ অসম বিশ্ববিদ্যালয়ত ৰেজিলিয়েণ্ট ইক'জ ফ্ৰম দ্যা ইষ্ট শীৰ্ষক টেডেক্স ২০২৫ আলোচনা সম্পন্ন। *আৰু*
৪। গুৱাহাটী শিশু মহোৎসৱত আজি মাতৃৰ দ্বাৰা টিফিন প্ৰস্তুতকৰণ প্ৰতিযোগিতা।

০০০০

অসম চৰকাৰে জনসাধাৰণৰ বিৰুদ্ধে যুঁজ দিয়া নাই, বৰঞ্চ সীমান্তৰ সিপাৰৰ পৰা অহা অনিয়ন্ত্ৰিত অনুপ্ৰৱেশকাৰীক প্ৰতিহত কৰাৰ চেষ্টা চলাইছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰিছে। পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ সামাজিক মাধ্যমৰ এটা পোষ্ট সম্পৰ্কত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে আজি এইদৰে কয়। তেঁও কয়, যে অনুপ্ৰৱেশৰ ফলত ইতিমধ্যে ৰাজ্যৰ জনগাথনি ভয়াবহভাৱে সলনি হৈছে আৰু কেইবাখনো জিলাত হিন্দুসকল নিজ ভূমিতে সংখ্যালঘুত পৰিণত হোৱাৰ উপক্ৰম হৈছে। তেওঁ কয়, যে উচ্চতম ন্যায়ালয়েও এনেধৰণৰ অনুপ্ৰৱেশক বাহ্যিক আগ্ৰাসন বুলি অভিহিত কৰিছে। অসম চৰকাৰে ভাষা বা ধৰ্মৰ ভিত্তিত জনসাধাৰণক ভাগ ভাগ নকৰে বুলি উল্লেখ কৰি ড° শৰ্মাই কয়, যে ৰাজ্যখনত অসমীয়া, বাংলা, বড়ো, হিন্দী সকলো ভাষা-ভাষীৰ লোক আৰু সম্প্ৰদায় শান্তিপূৰ্ণভাৱে বসবাস কৰি আহিছে। সীমান্ত আৰু সাংস্কৃতিক ভেঁটি সুৰক্ষিত কৰিব নোৱাৰিলে কোনো সভ্যতা বৰ্তি থাকিব নোৱাৰে বুলি তেওঁ মন্তব্য কৰে। ড° শৰ্মাই কয় যে বৰ্তমান চৰকাৰে ৰাজ্যখনৰ ঐতিহ্য, মৰ্যদা আৰু জনসাধাৰণৰ সুৰক্ষাৰ বাবে যুঁজ দি যাব। ইয়াৰ পূৰ্বে পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে অসম চৰকাৰে অবৈধ দখলকাৰীৰ বিৰুদ্ধে চলোৱা উচ্ছেদ অভিযানক সমালোচনা কৰিছিল আৰু বিজেপি চৰকাৰে সকলো ধৰণৰ সীমা অতিক্ৰম কৰা বুলি অভিযোগ কৰিছিল।

০০০০

ৰাজ্যৰ অন্যান্য জিলাৰ লগতে হোজাই জিলাতো অনাবৃষ্টিৰ ফলত কৃষকে কৃষিকাৰ্যত অসুবিধাৰ সন্মুখীন হৈছে। জিলাখনত চৰকাৰৰ পৰিকল্পিত বিজ্ঞানসন্মত জলসিঞ্চন আঁচনিৰ অভাৱত কৃষকসকলে ধানখেতিৰ বতৰত কৃষিকাৰ্যৰ পৰা বিৰত থাকিবলগীয়া হৈছে। সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানত হোজাই জিলা ছাত্ৰ সন্থাই জিলা আয়ুক্তৰ জৰিয়তে জলসিঞ্চনৰ উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ

কৰিছে। ছাত্ৰ সন্থাই ক্ষতিগ্ৰস্ত কৃষকসকলক এককালীনভাৱে আৰ্থিক সাহায্য প্ৰদান কৰিবলৈও আহ্বান জনাইছে।

খৰাং সদৃশ পৰিস্থিতিৰ বাবে বাক্সা জিলাতো সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানত বাক্সা জিলা ছাত্ৰ সন্থাই বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। চৰকাৰৰ জলসিঞ্চন ব্যৱস্থাৰ ব্যৰ্থতাৰ প্ৰতিবাদত ৰূপায়ণ কৰা এই কাৰ্যসূচীত ছাত্ৰ সংগঠনটোৱে জলসিঞ্চন বিভাগৰ মন্ত্ৰী অশোক সিংহলৰ পদত্যাগৰ দাবী কৰে। কৃষিকাৰ্যত সহায়ক হোৱাকৈ তাৎক্ষণিকভাৱে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰক ছাত্ৰ সন্থাই আহ্বান জনাইছে।

সাম্প্ৰতিক খৰাং সদৃশ পৰিস্থিতিৰ বাবে কৃষকে কৃষিকাৰ্যত পোৱা অসুবিধাৰ বাবে খেতি-পথাৰত সৌৰচালিত জলসিঞ্চন ব্যৱস্থা গ্ৰহণৰ দাবীৰে কামৰূপ জিলা ছাত্ৰ সন্থাই আজি কামৰূপ জিলাতো প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে।

আমাৰ আগৰ বাতৰিতেই কোৱা হৈছে যে ৰাজ্য চৰকাৰে খৰাংসদৃশ পৰিস্থিতিৰ সৃষ্টি হোৱা জিলাসমূহৰ কৃষকসকলক ক্ষতিপূৰণ প্ৰদান কৰিব। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত দিছপুৰত অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ বৈঠকত কালি এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। মন্ত্ৰীসভাৰ বৈঠকৰ পাছত এখন সংবাদমেলত মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয়, যে ৰাজ্যত খৰাংসদৃশ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ইয়াক ৰাজ্যিক দুৰ্যোগ বুলি বিবেচনা কৰি মন্ত্ৰীসভাই অসম দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ নীতি অনুসৰি নিৰ্ধাৰিত জিলাসমূহৰ কৃষকসকলক ক্ষতিপূৰণৰ সুবিধা প্ৰদানত অনুমোদন জনায়। খৰাংসদৃশ পৰিস্থিতিৰ সৃষ্টি হোৱা জিলাকেইখন হৈছে – ডিব্ৰুগড়, তিনিচুকীয়া, বঙাইগাঁও, ধুবুৰী, বৰপেটা, বাক্সা, হোজাই, কামৰূপ আৰু চিৰাং। এই জিলাকেইখনত ৪০ শতাংশ কম বৰষুণ হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

০০০০

কেন্দ্ৰীয় চৰকাৰে শৰাইঘাটত ব্ৰহ্মপুত্ৰৰ ওপৰত দ্বিতীয়খন ৰে'ল তথা পথ দলং নিৰ্মাণত অনুমোদন জনাইছে। এহেজাৰ ৪৭৩ কোটি ৭৭ লাখ টকা ব্যয় সাপেক্ষে এই দলংখন আগিয়াঠুৰি-কামাখ্যা ৰেলপথৰ দ্বৈতকৰণৰ অংশ হিচাপে নিৰ্মাণ কৰা হ'ব। উত্তৰ-পূৱ সীমান্ত ৰেলৱেৰ এখন বিজ্ঞপ্তি অনুসৰি এক দশমিক ৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই ষ্টীল কম্পোজিট গৰ্ডৰ দলঙখন নিৰ্মাণ কৰা হ'ব। দলঙখনৰ তলৰ অংশত দ্বৈত ৰে'লপথ আৰু ওপৰ অংশত পদপথৰ সৈতে ৩ টা লেনযুক্ত পথ থাকিব। এই দলঙখনৰ কাম সম্পূৰ্ণ হৈ উঠিলে আগিয়াঠুৰি-কামাখ্যা খণ্ডত ৰে'ল পথৰ সামৰ্থ অভূতপূৰ্বভাৱে বৃদ্ধি হ'ব। দলঙখনে অঞ্চলটোৰ ঔদ্যোগিক বিকাশত অৰিহণা যোগোৱাৰ লগতে কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে।

০০০০

ৰাজ্য চৰকাৰে বিনিয়োগ সন্মিলন এডভাণ্টেজ আচামৰ দ্বিতীয় সংস্কৰণৰ অধীনত উমৰাংছ', হোজাই আৰু ৰঙিয়াৰ ৩ টা গুৰুত্বপূৰ্ণ চিমেণ্ট গোটত ১০ হাজাৰ কোটি টকা বিনিয়োগৰ বাবে অম্বুজা চিমেণ্টছ্ লিমিটেডৰ সৈতে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী বিমল বৰাই আজি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে এই প্ৰকল্পই ৰাজ্যৰ যুৱক-যুৱতীৰ বাবে ৭ হাজাৰৰো অধিক কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰিব। মন্ত্ৰীগৰাকীয়ে লগতে অন্য সংস্থাসমূহকো অসমত বিনিয়োগৰ বাবে আগবাঢ়ি আহিবলৈ আহ্বান জনায়।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি আমেৰিকাৰ জৰ্জিয়া বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক তথা ইংৰাজী আৰু অসমীয়া ভাষাৰ জনপ্ৰিয় লেখক আৰুণি কাশ্যপৰ সৈতে এটা কথোপকথন প্ৰচাৰ কৰিব। নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত প্ৰচাৰিত হ'বলগীয়া এই কথোপকথনত লেখকগৰাকীৰ সৈতে অংশগ্ৰহণ কৰিব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০

শিলচৰৰ অসম বিশ্ববিদ্যালয়ত প্ৰথমবাৰৰ বাবে আজি টেডেক্স অসম বিশ্ববিদ্যালয়, ২০২৫ অনুষ্ঠিত হয়। ৰেছিলিয়েণ্ট ইক'জ ফ্ৰম দা ইষ্ট অৰ্থাৎ 'পূবৰ দৃঢ় প্ৰতিধ্বনি' শীৰ্ষক অনুষ্ঠানটোৱে পূৰ্বাঞ্চলৰ সংস্কৃতি, সংগ্ৰাম, বীৰত্ব, সৃষ্টিশীলতা আৰু জ্ঞান উদযাপনৰ অনন্য মঞ্চ হিচাপে আত্মপ্ৰকাশ কৰে। আজি টেডেক্স প্ৰেৰণাদায়ক ভাষণ আৰু চিন্তাশীল আলোচনাৰ জৰিয়তে পূব ভাৰতৰ বৈচিত্ৰময় অভিজ্ঞতা, দৃষ্টিভংগী আৰু উদ্ভাৱনী মনোভাৱ প্ৰদৰ্শন কৰা হয়। অনুষ্ঠানত মুখ্য বক্তা হিচাপে ড° বিজেন্দ্ৰ চৌহান, সাংস্কৃতিক কৰ্মী অৰ্ঘদীপ বৰুৱা, পদ্মশ্ৰী সন্মানেৰে সন্মানিত কাছাৰ কেন্সাৰ হাস্পতালৰ সঞ্চালক ৰমন মেগ্‌ছেছে বঁটা প্ৰাপক ডাঃ ৰবি কান্নান, লেফটেনেণ্ট কৰ্নেল কে শচীন সিং, বেংকিং বিশেষজ্ঞ সাগৰ তেজৰানী, ৰাজনৈতিক পৰামৰ্শদাতা কনিস্ক আগৰৱাল, অভিযন্তা সুমিত দে, গৱেষক, অধ্যাপক ড° প্ৰগতি সিং, স্বাস্থ্য উদ্যোগী নীলিমা ৰয় চৌধুৰী আদি ভালেসংখ্যক বিশিষ্ট লোক উপস্থিত থাকে। আয়োজক সমিতিৰ অধ্যক্ষ সীমা পালে সংবাদ মাধ্যমৰ আগত কয়, যে আন্তঃৰাষ্ট্ৰীয় মঞ্চ টেডেক্সৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে কেৱল নিজৰ দেশতে নহয়, বিশ্বৰ বিভিন্ন স্থানতো স্থান লাভ কৰিবলৈ সমৰ্থ হ'ব।

বাইট

বিশিষ্ট চিকিৎসক ডাঃ ৰবি কান্নানে কয়, যে এনে মঞ্চই মানুহক ভাল কাম কৰিবলৈ অনুপ্ৰাণিত কৰে, সমাজত ইতিবাচক প্ৰভাৱ পেলায় আৰু বিশ্ববিদ্যালয়খনৰ এয়া অসাধাৰণ পদক্ষেপ বুলি তেওঁ ভাবে।

০০০০

গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, গুৱাহাটী পৌৰসভাৰ মেয়ৰ মৃগেন শৰণীয়া আৰু পৌৰ আয়ুক্ত ড° এম এছ লক্ষ্মীপ্ৰিয়াই আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰে আৰু স্বচ্ছ সৰ্বেক্ষণ ২০২৪ জৰীপৰ অধীনত গুৱাহাটী চহৰে লাভ কৰা ৰাষ্ট্ৰীয় পৰ্যায়ৰ সফলতাৰ বিষয়ে মুখ্যমন্ত্ৰীগৰাকীক অৱগত কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই তেওঁলোকক এই সফলতাৰ বাবে আন্তৰিক অভিনন্দন জ্ঞাপন কৰাৰ লগতে গুৱাহাটী চহৰৰ স্বচ্ছতা আৰু অনাময় ব্যৱস্থাক সুপৰিকল্পিতভাৱে আগবঢ়াই লৈ যোৱাৰ ক্ষেত্ৰত তেওঁলোকৰ অবিৰত প্ৰচেষ্টাৰ শলাগ লয়। উল্লেখযোগ্য যে ৩ ৰ পৰা ১০ লাখ জনসংখ্যাৰ চহৰৰ শিতানত গুৱাহাটীয়ে প্ৰতিশ্ৰুতিসম্পন্ন পৰিষ্কাৰ চহৰৰ বঁটা লাভ কৰিছে। নতুন দিল্লীৰ বিজ্ঞান ভৱনত যোৱা ১৭ জুলাইত অনুষ্ঠিত বঁটা বিতৰণী সভাত গুৱাহাটী পৌৰ সভাৰ মেয়ৰ মৃগেন শৰণীয়াই এই বঁটা গ্ৰহণ কৰে।

০০০০

ৰাজ্য চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগৰ অতিৰিক্ত মুখ্য সচিব অজয় তিৱাৰীয়ে আজি মানকাচৰৰ ভাৰত-বাংলাদেশ সীমান্ত পৰিদৰ্শন কৰে। শ্ৰীতিৱাৰীয়ে ভাৰত-বাংলাদেশ সীমান্তত প্ৰায় ২ কোটি টকা ব্যয় সাপেক্ষ নিৰ্মীয়মান চেকেণ্ড লাইন ডিফেন্সৰ সীমান্ত আৰক্ষী চকীৰ কাম-কাজৰ বুজ লয়। আৰক্ষী চকীৰ কাম -কাজ প্ৰায় সম্পূৰ্ণ হৈছে আৰু অতি সোনকালে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই আৰক্ষী চকীটো আনুষ্ঠানিকভাৱে মুকলি কৰিব বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে শ্ৰীতিৱাৰীয়ে আজি জিলা

আৰক্ষী প্ৰশাসনৰ সৈতে পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰাৰ লগতে বাঘাপাৰা এলেকাত জে'লৰ ভূমি পৰিদৰ্শন কৰে।

oooo

গোৱালপাৰাৰ পাইকানত উচ্ছেদ অভিযানৰ সময়ত নিৰাপত্তাৰক্ষীক আক্ৰমণ কৰা আৰু বিদ্যালয়ত অগ্নি সংযোগ কৰা ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত আৰক্ষীয়ে এতিয়ালৈকে ১০ জন লোকক গ্ৰেপ্তাৰ কৰিছে। ইয়াৰ উপৰি আৰক্ষীয়ে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক ৰাজহুৱাকৈ ভাবুকি দিয়া চামনুৰ আলী নামৰ লোকজনকো গ্ৰেপ্তাৰ কৰিছে। উল্লেখযোগ্য যে, বৃহস্পতিবাৰে গোৱালপাৰা জিলাৰ কৃষ্ণাইৰ আশুডুবিত উচ্ছেদ চলোৱাৰ সময়ত উচ্ছেদিতৰ আক্ৰমনত ১৪ গৰাকী বনকৰ্মী আৰু ৯ গৰাকী আৰক্ষী জোৱান আহত হৈছিল। অঞ্চলটোৰ পৰিস্থিতি বৰ্তমান নিয়ন্ত্ৰণত আছে বুলি আৰক্ষীৰ শীৰ্ষ বিষয়াই জনাইছে।

oooo

সামাজিক ন্যায় আৰু সৰলীকৰণ সঞ্চালকালয়, অসম আৰু এটা বেচৰকাৰী সংস্থাৰ সহযোগত আজি লখিমপুৰ, মাজুলী আৰু ধেমাজিৰ সংবাদকৰ্মীসকলৰ মাজত লখিমপুৰ জিলাত ড্ৰাগছ সম্বন্ধীয় এখন আলোচনাচক্ৰৰ আয়োজন কৰা হয়। ড্ৰাগছৰ চাহিদা হ্ৰাসৰ বাবে ৰাষ্ট্ৰীয় ক্ৰিয়াশীল পৰিকল্পনাৰ অধীনত ছপা আৰু সংবাদ মাধ্যমৰ ব্যক্তিসকলৰ মাজত সামৰ্থ বিকাশ কাৰ্যসূচী সন্দৰ্ভত আলোচনা কৰা হয়। এই আলোচনাচক্ৰত লখিমপুৰ জিলাৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক নয়নমণি বৰ্মন, ইটানগৰত অৱস্থিত ৰাষ্ট্ৰীয় অপৰাধ শাখাৰ অধীক্ষক তুলিকা মৰাণ আৰু জাগৃতি বেচৰকাৰী সংস্থাৰ সম্পাদক গৌতম কুমাৰ শইকীয়া সমল ব্যক্তি হিচাপে উপস্থিত থাকে।

oooo

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত চানমাৰিৰ অসম অভিযান্ত্ৰিক খেলপথাৰত অনুষ্ঠিত গুৱাহাটী শিশু মহোৎসৱৰ লগত সংগতি ৰাখি আজি মাতৃৰ টিফিন প্ৰস্তুতকৰণ প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই প্ৰতিযোগিতাত উদ্বোধক তথা বিচাৰকৰূপে মাষ্টাৰ্ছ ছেফ নয়নজ্যোতি শইকীয়া উপস্থিত থাকে। প্ৰায় এশ গৰাকী মহিলাই অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতাত তুলতুল বৰদলৈ প্ৰথম, ৰীতা ঢাকালে দ্বিতীয়, গীতিকা বৈশ্যই তৃতীয়, ৰূপামণি শইকীয়াই চতুৰ্থ আৰু মাধন দাসে পঞ্চম পুৰস্কাৰ লাভ কৰে। আনহাতে, আন পাঁচগৰাকী প্ৰতিযোগীলৈ উদ্গনিমূলক পুৰস্কাৰ আগবঢ়োৱা হৈছে। পৰিষদে জনোৱা অনুসৰি বিজয়ী প্ৰতিযোগীসকলক কাইলৈ পুৰস্কাৰ প্ৰদান কৰা হ'ব। প্ৰতিযোগিতাখনিৰ বিচাৰক মাষ্টাৰ্ছ ছেফ নয়নজ্যোতি শইকীয়াই এইদৰে কয় –

বাইট

উল্লেখযোগ্য যে অসম প্ৰকাশন পৰিষদে যোৱা ১০ জুলাইৰ পৰা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে অনুষ্ঠিত কৰা গ্ৰীষ্মকালীন কৰ্মশালাৰ কাইলৈ সামৰণি পৰিব।

oooo

অৰুণাচল প্ৰদেশত হৈ থকা ধাৰাসাৰ বৰষুণৰ ফলত ধেমাজি জিলাৰ গাই নদী ফেনে ফোটোকাৰে বাঢ়িছে আৰু নৈখনৰ বাঢ়নি পানীয়ে জিলাখনৰ বৃহত্তৰ অঞ্চল জলমগ্ন কৰি তুলিছে। এই বানত ধেমাজিৰ পৰা বগীবিল সংযোগী আমগুৰি পথত থকা এখন পকী দলঙৰ এটা মূৰ খহাই নিয়াত পথছোৱাৰে যাতায়াত ব্যৱস্থা বন্ধ হৈ পৰিছে। বানৰ ফলত জিলাখনৰ শ্ৰীপানী, নিলখ, বেতনিপাম আৰু আমগুৰি পঞ্চায়তৰ বৃহৎ অংশ জলমগ্ন হোৱাৰ লগতে সাপেখাটী, আটকাই, হাতীগড় আদি অঞ্চলৰ বৃহত্তৰ কৃষিভূমি জলমগ্ন হৈ পৰিছে।

ইফালে, জোনাইতো ৰায়াং নদীৰ বানত নৈৰ এটা বান্ধ চিগি যোৱাৰ ফলত কেইবাখনো গাঁও বানৰ কবলত পৰে। দিখাৰী, গালি, ৰায়াং, ৰাজাখানা নৈৰ বানে ছিগা, ৰায়াং, বিজয়পুৰ, ৰামধন-দিখাৰী আৰু তেলাম গাঁও পঞ্চায়তৰ অন্তৰ্গত শতাধিক গাঁও প্লাৱিত কৰিছে।

০০০০

আসন্ন বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ অংশ হিচাপে সোণাপুৰত আজিৰেপৰা দুদিনীয়া কাৰ্যসূচীৰে বিজেপিৰ চিন্তন বৈঠক অনুষ্ঠিত হৈছে। বৈঠকত ২০২৬ চনৰ নিৰ্বাচনত দলে কিদৰে আগবাঢ়িব সেই বিষয়ে পুংখানুপুংখভাৱে আলোচনা কৰা হয়। বৈঠকত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, অসমৰ দায়িত্বত থকা দলৰ নেতা হৰিশ দ্বিবেদী প্ৰমুখ্যে ভালেসংখ্যক শীৰ্ষ নেতা উপস্থিত থাকে।

০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃঃঃঃঃ